অধ্যায় ৬ ঃ উদ্ভাৱনৰ প্ৰচাৰ

অধ্যায় গাঁঠনি

৬.১ শিক্ষণ উদ্দ্যেশ্য

৬.২ পৰিচয়

৬.৩ উদ্ভাৱনৰ প্ৰসাৰ

৬.৩.১ উদ্ভাৱনৰ প্ৰসাৰৰ গুৰুত্বপূৰ্ণ পৰ্যায়সমূহ

৬.৩.২ প্ৰসাৰৰ বাবে মাধ্যমৰ ব্যৱহাৰ

৬.৪ উন্নয়নমুখী যোগাযোগ

৬.৪.১ অংশীদাৰী উন্নয়নমূলক যোগাযোগ

৬.৪.২ তথ্য মাধ্যম আৰু শিক্ষামুখী যোগাযোগ (CIME)

৬.৫ ভাৰতীয় প্ৰেক্ষাপটত চৰকাৰী পদক্ষেপ

৬.৬ উন্নয়ন আৰু ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত গণমাধ্যমৰ ভূমিকা

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্ৰগতিৰ খতিয়ান

৬.১০ আৰ্হি প্ৰশ্ন

৬.১ শিক্ষণ উদ্দ্যেশ্য

এই অধ্যায়টো পঢ়াৰ পাছত আপুনি,

* উদ্ভাৱনৰ প্ৰসাৰৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব
* উন্নয়নৰ বাবে সুচল যোগাযোগ ব্যৱস্থাৰ বিষয়ে জানিব
* ভাৰতীয় প্ৰেক্ষাপটত এই সম্পৰ্কীয় চৰকাৰী পদক্ষেপসমূহৰ বিষয়ে জানিব
* উন্নয়ন আৰু ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত গণমাধ্যমৰ ভূমিকাৰ বিষয়েও অৱগত হওব

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোৰ পৰা আপুনি নিশ্চিতভাবে উন্নয়নৰ বাবে সংযোগ ব্যৱস্থাৰ বিষয়ে কিছু ধাৰণা কৰিব পাৰিছে। মানৰ সমাজৰ বিভিন্ন ক্ষেত্ৰ তথা প্ৰসংগত প্ৰগতি তথা উদগনি মূলক কাম-কাজৰ বাবে নিয়োজিত সংযোগ ব্যৱস্থাক উন্নয়নৰ বাবে সংযোগ বুলি কোৱা হয়।

এই অধ্যায়ত আমি উদ্ভাৱনৰ প্ৰচাৰ তথা প্ৰসাৰৰ বিষয়ে আলোচনা কৰিম। উদ্ভাৱনৰ প্ৰসাৰ সম্পৰ্কীয় বিভিন্ন ধাৰণাই উন্নয়নমূলক ক্ষেত্ৰত সহায়ক হিচাপে কাম কৰে আৰু এই অধ্যায়ত আপুনি সেই ধাৰণাসমূহৰ বিষয়ে জানিব পাৰিব। এই অধ্যায়ত আপুনি এই বিষয়ক আনুষংগিক প্ৰসংগসমূহৰ বিষয়েও সম্যক জ্ঞান লাভ কৰিব।

এই বিষয়ে বিতংকৈ আলোচনা কৰাৰ পূৰ্বে উদ্ভাৱনৰ প্ৰসাৰ আৰু এই ক্ষেত্ৰত গণ মাধ্যমৰ ব্যৱহাৰ সম্পৰ্কে কিছু কথা আলোচনা কৰা যাওক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১. উদ্ভাৱন প্ৰক্ৰিয়াৰ প্ৰসাৰৰ তিনিটা পৰ্যায় বা স্তৰ কি কি?

.....

.....

প্ৰশ্ন ২. যোগাযোগ প্ৰক্ৰিয়াৰ সংজ্ঞা দিয়ক।

.....

.....

৬.৩ উদ্ভাৱনৰ প্ৰসাৰ

উদ্ভাৱনৰ প্ৰসাৰ বুলিলে নতুন ধাৰণা, সেৱা আৰু সামগ্ৰীৰ প্ৰসাৰৰ জৰিয়তে প্ৰযুক্তিগত লগতে সামাজিক নব্য উদ্ভাৱন সমূহক গ্ৰহণ কৰা বা মানি লোৱাটোকে সূচোৱা হয়। উন্নয়ন বা বিকাশৰ বাবে বস্তুবাদী বা ভৌতিক আৰু সামাজিক উদ্ভাৱন দুয়োটাৰে প্ৰসাৰ হোৱাটো প্ৰয়োজনীয়। সম্প্ৰদায় বা সমূহ এটাৰ প্ৰয়োজনীয়তাসমূহৰ মূল্যায়ন আৰু উদ্ভাৱনৰ জৰিয়তে এইসমূহৰ পূৰণৰ পৰাই এই প্ৰসাৰণৰ প্ৰক্ৰিয়াটো আৰম্ভ হয়। সম্ভাব্য গ্ৰহণকাৰীসকলৰ প্ৰয়োজন, উদ্ভাৱনৰ বিষয়ে তেখেতসকলৰ মাজত সৃষ্টি কৰা সচেতনতা তথা সচেতনতা সৃষ্টিৰ মাধ্যমসমূহৰ ওপৰতে মুখ্যতঃ উদ্ভাৱন এটাক আঁকোৱালি লোৱা আৰু বৰ্জন কৰাৰ সৈতে জড়িত ব্যক্তিগত আৰু সামূহিক সিদ্ধান্তবোৰ নিৰ্ভৰ কৰে।

৬.৩.১ উদ্ভাৱনৰ প্ৰসাৰৰ গুৰুত্বপূৰ্ণ পৰ্যায়সমূহ

উদ্ভাৱনৰ প্ৰসাৰ প্ৰক্ৰিয়াত তিনিটা গুৰুত্বপূৰ্ণ পৰ্যায় থাকে।

ক) অভিমুখীতাৰ পুনৰবিন্যাস বা পুণঃ অভি বিন্যাসকৰণঃ সাধাৰণতে নতুন উদ্ভাৱন এটাৰ ক্ষেত্ৰত সামগ্ৰী, সেৱা বা ধাৰণাসমূহ মৌলিকস্তৰত সমাজত প্ৰচলিত হৈ থাকেই, কিন্তু পৰিৱৰ্তিত অভিনৱ সংযোজন বা পৰিৱৰ্তনৰ বাবে সম্ভাব্য গ্ৰহণকাৰীৰ অভিমুখীতাৰ পুনৰ্বিন্যাসৰ প্ৰয়োজন আহি পৰে। এই ক্ষেত্ৰত মন কৰিব লাগিব যে পৰিৱৰ্তিত উপাদানসমূহে বহুক্ষেত্ৰত সামগ্ৰী, সেৱা বা ধাৰণা এটা সম্পূৰ্ণ সলনি কৰি দিবও পাৰে।

খ) পুনঃ লক্ষ্য নিৰ্ধাৰণ বা পুনঃ মনোনিবেশঃ অভিমুখীতাৰ পুনৰ বিন্যাসৰ খাতিৰত ব্যক্তি বা সম্প্ৰদায় বিশেষৰ কাৰণে উদ্ভাৱনৰ ওপৰত পুনৰ মনোনিবেশ কৰি লক্ষ্য নিৰ্ধাৰণৰ প্ৰয়োজন আহি পৰে। এই স্তৰটোত সম্ভাব্য গ্ৰহণকৰ্তাই নতুন উদ্ভাৱনটোৰ সৈতে ইতিমধ্যে প্ৰচলিত সামঞ্জস্য থকা সামগ্ৰী বা সেৱাৰ তুলনা কৰি সুবিধা আৰু অসুবিধাসমূহৰ বিশ্লেষণ কৰে, যি পৰৱৰ্তী সময়ত উদ্ভাৱনটো সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সহায় কৰে।

গ) অনুবলীকৰণ বা পুনঃ বলৱৎকৰণ ঃ উদ্ভাৱনসমূহ গভীৰ আৰু বিস্তৃত গণ মাধ্যম আৰু আন্তঃব্যক্তিগত যোগাযোগ, দুয়ো প্ৰকাৰৰ সংযোগ ব্যৱস্থাৰ ব্যৱহাৰৰদ্বাৰা পুনঃস্থাপন কৰাটো প্ৰয়োজনীয়।

উদ্ভাৱনৰ প্ৰসাৰণৰ পৰিণাম প্ৰত্যক্ষ বা পৰোক্ষ, সুপ্ত বা প্ৰকট, কাৰ্যকৰী বা অকাৰ্যকৰী হ'ব পাৰে। প্ৰসাৰণৰ প্ৰাৰম্ভিক আৰ্হিবোৰে কেৱল বস্তুবাদী বা ভৌতিক উন্নয়নৰ ওপৰতে

গুৰুত্ব আৰোপ কৰিছিল। কিন্তু অনতিপলমে এই ক্ষেত্ৰত সামগ্ৰী, ধাৰণা আৰু সেৱাৰ প্ৰসাৰৰ বাবে বস্তুবাদী উন্নয়নৰৰ লগতে সামাজিক উন্নয়নৰ প্ৰয়োজনীয়তাৰ দিশটোও উপলব্ধি কৰা হয়। ইয়াৰ ফলত প্ৰসাৰণ সম্পৰ্কীয় সিদ্ধান্তসমূহ লওঁতে অৰ্থনৈতিক, প্ৰযুক্তিগত আৰু সামাজিক সীমাবদ্ধতাৰ দিশবোৰতো দৃষ্টি আৰোপ কৰিব লগীয়া হয়। উন্নয়নমুখী যোগাযোগত কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ উৎসৰ পৰা সম্ভাব্য ব্যৱহাৰকাৰীসকলক উদ্ভাৱনৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হয়। নতুন ধাৰণা, সেৱা আৰু সামগ্ৰীৰ প্ৰসাৰৰ জৰিয়তে প্ৰযুক্তিগত আৰু সামাজিক উদ্ভাৱন গ্ৰহণীয়তা বৃদ্ধি কৰাটোৱেই এই ব্যৱস্থাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। উদ্ভাৱনৰ সকলো বস্তুবাদী আৰু সামাজিক উদ্ভাৱনৰ প্ৰসাৰৰ উন্নয়ন বা বিকাশৰ বাবে অতীব প্ৰয়োজনীয়। বস্তুবাদী উদ্ভাৱন বুলি কওঁতে ইয়াত অৰ্থনৈতিক আৰু প্ৰযুক্তিগত উদ্ভাৱনসমূহক সূচোৱা হৈছে আৰু সামাজিক প্ৰয়োজনীয়তা তথা গাঁথনিগত বিষয়ৰ সৈতে সম্পৰ্কিত উদ্ভাৱনসমূহক সামাজিক উদ্ভাৱন বুলি কোৱা হৈছে। সম্প্ৰদায় বা সমূহ এটাৰ প্ৰয়োজনৰ মূল্যায়ন আৰু উদ্ভাৱনৰ জৰিয়তে সেই প্ৰয়োজনসমূহৰ পূৰণৰ পৰাই প্ৰসাৰণৰ প্ৰক্ৰিয়া এটাৰ আৰম্ভণি হয়। উদ্ভাৱনৰ গ্ৰহণীয়তা আৰু বৰ্জনৰ বাবে ব্যক্তি আৰু সম্প্ৰদায়ৰ বিশেষৰ সিদ্ধান্তসমূহ প্ৰধানতঃ সম্ভাব্য গ্ৰহণকাৰীসকলৰ প্ৰয়োজনৰ ওপৰত নিৰ্ভৰ কৰে। উদ্ভাৱনবোৰৰ বিষয়ে কি ধৰণৰ সচেতনতা, কেনেদৰে সৃষ্টি কৰা হৈছে সেয়াও এই ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ। (Repeat sentences from the introduction in the original English Text)

৬.৩.২ উদ্ভাৱনৰ প্ৰসাৰৰ বাবে মাধ্যমৰ ব্যৱহাৰ

ৰজার্ছে (১৯৯৫) যোগাযোগ প্ৰক্ৰিয়াকএজন ব্যক্তিৰ পৰা আন এজনলৈ বার্তা প্ৰেৰণৰ উপায়অঅ বুলি সংজ্ঞায়িত কৰিছিল। উৎস আৰু প্ৰেৰক ব্যক্তিৰ মাজৰ সম্পৰ্কৰ প্ৰকৃতিয়ে উদ্ভাৱন এটাৰ স্থানান্তৰ প্ৰক্ৰিয়া তথা ইয়াৰ প্ৰভাৱৰ সফলতা নিৰ্ধাৰণ কৰে। ৰজার্ছে গণ মাধ্যম প্ৰক্ৰিয়াসমূহ বৃহৎ সংখ্যক সম্ভাব্য গ্ৰহণকাৰীৰ সৈতে যোগাযোগ কৰাৰ আটাইতকৈ দ্ৰুত আৰু ফলপ্ৰসূ উপায় হোৱাৰ বিপৰীতে সম্ভাব্য গ্ৰহণকাৰীসকলক এটা নতুন ধাৰণা গ্ৰহণ কৰিবলৈ উৎসাহিত কৰাত আন্তঃব্যক্তিগত যোগাযোগ অধিক কাৰ্যকৰী বুলি ব্যাখ্যা আগ বঢ়াইছিল। একে আৰ্থ-সামাজিক স্থিতি আৰু শৈক্ষিক স্তৰৰ ব্যক্তিসকলৰ মাজত মুখামুখি যোগাযোগে উদ্ভাৱন এটাৰ গ্ৰহণযোগ্যতাৰ সম্ভাৱনা বৃদ্ধি কৰে। উদাহৰণ স্বৰূপে, গণমাধ্যমৰ সাক্ষৰতা প্ৰশিক্ষণৰ ওপৰত ভিত্তি কৰি স্বাস্থ্য আৰু পুষ্টি গোট ৰূপায়ণ কৰা মাধ্যমিক বিদ্যালয়ৰ এজন শিক্ষকৰ মতামত, গণমাধ্যমৰ সাক্ষৰতা প্ৰশিক্ষণৰ কার্যকৰীতাৰ বিষয়ে আন এজন মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ বাবে, এই বিষয়ক ৰাষ্ট্ৰীয় গণমাধ্যমৰ প্ৰতিবেদনতকৈ অধিক বিশ্বাসযোগ্য হ'ব। এইক্ষেত্ৰত পাণ্ডিত্যপূৰ্ণ লিখনি আৰু পাঠ্যক্ৰমে নিৰ্ধাৰণ কৰা শৈক্ষিক সম্পদসমূহে গণমাধ্যমৰ সাক্ষৰতা প্ৰশিক্ষণৰ কার্যকৰিতা আৰু লাভালাভৰ বিষয়ে বহুলপৰিমাণে তথ্যৰ যোগান ধৰিব পাৰে যদিও, অধিকাংশ সম্ভাব্য গ্ৰহণকাৰীয়ে তেওঁলোকৰ সহকর্মীসকলৰ সৈতে হোৱা বার্তালাপৰ দ্বাৰা প্ৰভাৱান্বিত হোৱাৰ সম্ভাৱনা অধিক। ই আলোচনা চক্ৰ আৰু কর্মশালাৰ গুৰুত্বৰ ওপৰতো আলোকপাত কৰে। এনে ধৰণৰ মঞ্চসমূহত একে ধৰণৰ আগ্ৰহ আৰু স্থিতিত থকা ব্যক্তিসকলে মিডিয়া সাক্ষৰতা প্ৰশিক্ষণৰ বিষয়ে আলোচনা কৰি, বিভিন্ন পৰিস্থিতিত

ই কেনেদৰে ফলপ্ৰসূভাৱে কাম কৰিছে সেই বিষয়ক অভিজ্ঞতাও ভাগ বতৰা কৰিব পাৰে। ৰজার্ছে (১৯৯৫) এইবুলি কৈছিল যে, নিকট সহকৰ্মীসকলৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীলতাই, এই ধৰণৰ শৃংখলাত অংশীদাৰসকলৰ মাজৰ সম্ভাব্য গ্ৰহণকাৰীসকলে ইতিপূৰ্বে উদ্ভাৱন এটা গ্ৰহণকৰাসকলক আৰ্হি হিচাপে লৈ অনুকৰণ কৰাতেই প্ৰসাৰণ প্ৰক্ৰিয়াৰ আত্মা নিহিত হৈ আছে। গতিকে প্ৰসাৰণ এটা অতি সামাজিক প্ৰক্ৰিয়া।

৬.৪ উন্নয়নমুখী যোগাযোগ

উন্নয়ন সমৰ্থন যোগাযোগৰ (ডিএছচি) অনুশীলন উন্নয়নৰ কাৰ্যসূচী আৰু পৰিকল্পিত কাৰ্যকলাপৰ বিষয়ে তথ্য আদান-প্ৰদানৰ এক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত দাতা বা উৎস সম্প্ৰদায় বা সমূহকে ধৰি সকলো পৰিকল্পনাকাৰী, হিতাধিকাৰী আৰু উন্নয়নমূলক কাৰ্যৰ ৰূপায়ণকাৰীসকলৰ মাজত সংযোগ স্থাপন কৰে। ইয়াত পৰিকল্পনাকাৰী আৰু ৰূপায়ণকাৰীসকলে হিতাধিকাৰীসকলক উন্নয়ন বিষয়ক তেওঁলোকৰ লক্ষ্য আৰু ভূমিকাৰ বিষয়ে স্পষ্ট আৰু বোধগম্য ধৰণেৰে তথ্যসমূহ প্ৰদান কৰে আৰু হিতাধিকাৰীসকলক উন্নয়নৰ ফলাফল নিৰ্ধাৰণত অংশগ্ৰহণ কৰাৰো সুযোগ প্ৰদান কৰে। ইয়াৰ লগতে এই প্ৰক্ৰিয়াই দাতা বা উৎসক উন্নয়ন প্ৰচেষ্টাৰ সফলতা আৰু সীমাবদ্ধতাৰ বিষয়ে নিৰন্তৰ সজাগ কৰি ৰাখে। ক্ৰমাগত অনুৰোধ, জ্ঞান আৰু তথ্য প্ৰেৰণ আৰু লগতে খণ্ডগত উন্নয়নৰ সৈতে সম্পৰ্কিত সামাজিক আৰু ৰাজনৈতিক পৰিৱৰ্তনৰ বাবে গুৰুত্বপূৰ্ণ সঁজুলি হিচাপে এই ব্যৱস্থাত যোগাযোগ প্ৰক্ৰিয়াৰ ব্যৱহাৰ কৰা হয়। উন্নয়নমুখী যোগাযোগ ব্যৱস্থাই খণ্ডগত উন্নয়ন কাৰ্যসূচীসমূহৰ বাবে প্ৰয়োজনীয় সহায়ক প্ৰক্ৰিয়া আৰু অনুপ্ৰেৰণাৰ ওপৰত নিৰন্তৰ গুৰুত্ব আৰোপ কৰে।

উন্নয়নমুখী যোগাযোগে জনসাধাৰণক উদ্ভাৱনসমূহৰ বিষয়ে অৱগত তথা সজাগ আৰু শিক্ষিত কৰাৰ উপৰিও উন্নয়ন প্ৰক্ৰিয়াত জনসাধাৰণৰ অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে অনুপ্ৰাণিত কৰে। ৰাষ্ট্ৰীয় উন্নয়নৰ বাবে ৰাজহুৱা সহযোগিতা লাভ কৰিবলৈ উন্নয়নমূলক পৰিকল্পনাসমূহৰ পুংখানুপুংখ বোধগম্যতা অপৰিহাৰ্য চৰ্ত। উন্নয়ন পৰিকল্পনাবোৰ ৰাইজৰ ভাষা আৰু বোধগম্য তথা ব্যৱহাৰিক প্ৰতীকসমূহৰ জৰিয়তে ঘৰে ঘৰে উপলব্ধ কৰাৰ লগতে উমৈহতীয়া প্ৰয়োজনীয়তা আৰু সমস্যাবোৰৰো পৰিবাহী হ'ব লাগিব। এই প্ৰক্ৰিয়াৰ যিকোনো পৰ্যায়ত কোনো বাধাৰ সন্মুখীন হ'লে, অংশীদাৰসকলক এই সমস্যাবোৰ সংশোধন কৰাৰ পদক্ষেপবোৰৰ বিষয়ে অৱগত তথা সজাগ কৰাটো প্ৰয়োজনীয়। সাধাৰণ মানুহৰ নিজৰ উন্নয়নৰ বাবে কি ভাল সেয়া নিৰ্ধাৰণ কৰি, গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণৰ সামৰ্থ্য হ্ৰাস কৰাটো উন্নয়ন মুখী যোগাযোগ ব্যৱস্থাত এটা ভুল হিচাপে গণ্য কৰা হয়। উন্নয়নমুখী যোগাযোগৰ এই দৰ্শনক সমগ্ৰ বিশ্বতে ইউনেস্কো, ইউএনডিপি, যোগাযোগৰ গৱেষক তথা অনুশীলনকাৰীসকলেও আন্তৰিকতাৰে সমৰ্থন কৰে। উন্নয়নমুখী যোগাযোগক উন্নয়ন মূলক প্ৰকল্পৰ পৰিকল্পনা আৰু সেইবোৰৰ উদ্দেশ্যবিধিত মানৰ আচৰণগত কাৰকবোৰৰ পৰ্যাপ্ত সহযোগৰ পৰিকল্পনা তথা ৰূপায়ণ হিচাপে এৰ্স্কিন চাইল্ডাৰচে মত প্ৰকাশ কৰিছে।

উন্নয়ন মুখী যোগাযোগে সকলো উপলব্ধ আন্তঃগাঁথনি আৰু তথ্য আদান-প্ৰদানৰ উপাদানৰ ব্যৱহাৰৰ পোষকতা কৰে। সেয়েহে ই কেৱল গণমাধ্যমৰ ব্যৱহাৰতে সীমাবদ্ধ নহয়। ইয়াত আনুষ্ঠানিক বা অনানুষ্ঠানিক বিভিন্ন যোগাযোগ ব্যৱস্থা, যেনে মহিলা বা যুৱ সংঘসমূহ আৰু বজাৰ, গীৰ্জা, উৎসৱ আৰু সভা-সমিতিৰ দৰে জনসমাগম যুক্ত ক্ষেত্ৰসমূহো সাঙুৰি লোৱা হয়। এইবোৰৰ এটা প্ৰণালীবদ্ধ, অবিৰত, সমন্বিত আৰু পৰিকল্পিত ব্যৱহাৰৰ দ্বাৰা, সংযোগক্ষম

আৰু কাৰ্য সম্পাদন কৰিবলৈ সমৰ্থ কৰি তোলাটোৱেই এই ব্যৱস্থাৰ মুখ্য অৱদান। ইয়াৰ বাবে সুচল যোগাযোগৰ পৰিবেশ, উপলব্ধতা আৰু প্ৰয়োজনীয় যোগাযোগ দক্ষতা লগতে সম্পদৰ (হাৰ্ডৱেৰ, ছফ্‌টৱেৰ, বিত্তীয় তথা মানৱ) সঠিক বিশ্লেণৰ প্ৰয়োজন। ইয়াত দায়বদ্ধতা বজাই ৰখাকৈ নিৰ্দিষ্ট সম্পদৰ পৰা প্ৰত্যাশিত ফলাফল স্পষ্টভাৱে প্ৰতিফলিত কৰা হয়।

চমুকৈ ক'বলৈ গ'লে, উন্নয়নমুখী যোগাযোগ উন্নয়ন পৰিকল্পনা আৰু ৰূপায়ণৰ এক বিধিসন্মত কাৰ্যব্যৱস্থা। সেয়েহে স্থানীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত বহনক্ষম উন্নয়নৰ বাবে সামাজিক যোগাযোগ প্ৰক্ৰিয়াত এক মূল্যৱান প্ৰযুক্তি হিচাপে ব্যৱহাৰ কৰাৰ বাবে ইয়াৰ মূল্যায়নৰ খুবেই প্ৰয়োজন। সামাজিক পৰিৱৰ্তনৰ কাৰ্যসূচীসমূহত ইয়াৰ গুৰুত্ব বৃদ্ধি কৰাৰ লগতে কৌশল আৰু উন্নয়ন নীতিসমূহত এই প্ৰক্ৰিয়াৰ চাপ স্পষ্টভাৱে প্ৰতিফলিত হোৱাটো প্ৰয়োজনীয়। ৰাষ্ট্ৰীয় উন্নয়নচিন্তা আৰু অনুশীলনৰ সৈতে একত্ৰিতৰূপত স্পষ্টভাৱে এক ৰাষ্ট্ৰীয় তথ্য আৰু যোগাযোগ নীতিৰ প্ৰণয়ন এইক্ষেত্ৰত এক ফলপ্ৰসূ উপায় হঅব পাৰে।

এইখিনিতে মন কৰিব লাগিব যে উন্নয়নমূলক যোগাযোগ বা উন্নয়ন সংযোগে আৰু উন্নয়নমুখী যোগাযোগ দুটা পৃথক ধাৰণা। উন্নয়নমূলক যোগাযোগে আৰ্থ-সামাজিক উন্নতিৰ বাবে জনসাধাৰণলৈ উন্নয়নৰ বাৰ্তা প্ৰেৰণ কৰে, আনহাতে, উন্নয়নমুখী যোগাযোগে উন্নয়ন পৰিকল্পনা আৰু সেইবোৰৰ ৰূপায়ণ সুনিশ্চিত কৰে।

৬.৪.১ অংশীদাৰী উন্নয়নমূলক যোগাযোগ

অংশীদাৰী উন্নয়ন যোগাযোগ ব্যৱস্থাই যোগাযোগ প্ৰক্ৰিয়াত মতামত আৰু আলোচনাৰ প্ৰয়োজনীয়তাৰ ওপৰত বিশেষভাবে গুৰুত্ব আৰোপ কৰে। ই ব্যক্তি আৰু গোট বিশেষক বাস্তৰীয়তাৰ বিষয়ে তেওঁলোকৰ ধাৰণা ব্যক্ত কৰিবলৈ আৰু এই বিষয়ক কাম কৰিবলৈ উৎসাহিত কৰে। দ্বিপাক্ষিক সম্পৰ্কৰ ভেঁটিত গঢ়ি উঠা এক প্ৰক্ৰিয়া হিচাপে, সমুদায় ভিত্তিক মাধ্যম, গণ মাধ্যম বা আন্তঃব্যক্তিগত বাৰ্তালাপৰ দ্বাৰা সমৰ্থিত অংশীদাৰী যোগাযোগ ব্যৱস্থাই অনানুষ্ঠানিক, তৃণমূল বা মৌলিক শিক্ষাৰ প্ৰয়োজনীয়তাৰ প্ৰতি ফলপ্ৰসূভাবে সঁহাৰি জনাব পাৰে। এইক্ষেত্ৰত বিষয়বস্তুৰ সৰলৰৈখিক প্ৰেৰণৰ সলনি জ্ঞানৰ আদান-প্ৰদানৰ ওপৰত আধাৰিত কাৰ্যৰ ফলস্বৰূপে অনানুষ্ঠানিক শিক্ষাৰ সংজ্ঞা পুনৰনিৰ্ধাৰণো সম্ভৱ হ'ব পাৰে।

ব্যক্তি, গোট আৰু সমুদায়সমূহক তেওঁলোকে সন্মুখীন হোৱা সমস্যাৰ নিৰ্ধাৰণ কৰি, সেই সম্পৰ্কীয় সু-অৱগত সিদ্ধান্ত লৈ, নিজৰ উন্নয়নৰ দায়িত্ব গ্ৰহণ কৰিব পৰাকৈ সামৰ্থ্য সৃষ্টি কৰাৰ লগতে উন্নয়নমূলক কাৰ্যসমূহত অংশগ্ৰহণ কৰিবলৈ উদগনি দিয়াটোৱেই অংশীদাৰী উন্নয়নমূলক যোগাযোগৰ মূল উদ্দেশ্য। দ্বিমুখী যোগাযোগ প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰা এই ব্যৱস্থাক, অংশীদাৰী উন্নয়নমূলক যোগাযোগঅঅ শব্দটোৰে সংজ্ঞাবদ্ধ কৰি, বাৰ্তা প্ৰচাৰ আৰু তথ্য প্ৰেৰণৰ যোগেদি সম্ভাব্য হিতাধিকাৰীসকলক তেওঁলোকৰ আচৰণ সলনি কৰিবলৈ জোৰ দিয়া একমুখী যোগাযোগ পদ্ধতিৰ পৰা পৃথক কৰা হৈছে।

এই ধৰণৰ যোগাযোগে আনুভূমিক ব্যৱস্থাবিলাক অগ্ৰাধিকাৰ দিয়ে য'ত সমস্যাৰ বিশে-ষণ আৰু সমাধান নিৰ্ধাৰণ বিষয়ক আলোচনাক উৎসাহিত কৰাৰ লগতে সিদ্ধান্ত লওঁতাসকলৰ সজাগতা বৃদ্ধি কৰাৰ লক্ষ্যৰে ওলোটা পিৰামিড দৃষ্টিভংগীৰ সহায় লোৱা হয়। এই পদ্ধতি বা ব্যৱস্থাবোৰ সামূহিক যোগাযোগৰ প্ৰক্ৰিয়াৰ ওপৰত আধাৰিত।

হিতাধিকাৰীসকলক উন্নয়ন প্ৰক্ৰিয়াৰ অংশীদাৰ কৰি, অংশীদাৰী উন্নয়নমূলক যোগাযোগ ব্যৱস্থাই ব্যক্তি আৰু সমুদায়সমূহৰ সৰ্বাংগীণ প্ৰগতিৰ বাট মুকলি কৰে। সামগ্ৰিকভাবে, এই

ব্যৱস্থাত কার্যসূচীৰ মূল উপাদানসমূহৰ মাজত বিদ্যমান আন্তঃসম্পর্কৰ ভিত্তিত, অংশগ্রহণমূলক দৃষ্টিভংগী গ্রহণৰ ওপৰত জোৰ দিয়া হয়। এই ধাৰণাটোক ইংৰাজীত চমুকৈ CIME বুলি কোৱা হয়। ইয়াৰ অর্থ হ'ল, communication, information, media and education, অর্থাৎ তৃণমূল পর্যায়ত যোগাযোগ আৰু তথ্যৰ আদান-প্রদানৰ বাবে ই এক দ্বিমুখী মাধ্যমৰ লগতে অনানুষ্ঠানিক শিক্ষাৰো আহিলা। ইয়াক অসমীয়াত তথ্য মাধ্যম আৰু শিক্ষামুখী যোগাযোগ (CIME) বুলি ক'ব পৰা যায়।

৬.৪.২ **তথ্য মাধ্যম আৰু শিক্ষামুখী যোগাযোগ** (CIME)

- **তৃণমূল পর্যায়ত যোগাযোগঃ** যোগাযোগৰ এই কার্যসূচীয়ে বিশেষকৈ তৃণমূল পর্যায়ত যোগাযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এইক্ষেত্রত যোৱা ৫০ বছৰৰ অভিজ্ঞতাই এটা কথা সুনিশ্চিত কৰিছে যে যোগাযোগ প্রকৃত অর্থত উন্নয়নৰ লগত জড়িত সমস্যা এটাৰ চিনাক্তকৰণ, ইয়াৰ অন্তর্নিহিত কাৰণবোৰৰ নির্ধাৰণ তথা সমাধান নিশ্চিত কৰাৰ ক্ষেত্রত উপযুক্ত পদক্ষেপ লোৱাৰ বাবে জনসাধাৰণক সংগঠিত কৰাত সহায়ক হ'বলৈ হ'লে, ই সম্প্রদায় বা সমূদায়ৰ স্তৰত আৰম্ভ হ'ব লাগিব। এই ব্যৱস্থাত এজন বিশেষজ্ঞৰ পৰা তেওঁৰ দর্শক তথা সম্ভাব্য হিতাধিকাৰীসকললৈ উলম্বিকঅঅ বার্তা প্রেৰণ কৰাৰ সলনি জনসাধাৰণৰ মাজৰ আনুভূমিক বিনিময়ক অগ্রাধিকাৰ দিয়া হয়। ইয়াত মাধ্যমৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়াৰ সলনি (যি এক উপযোগিতাবাদী ভূমিকা পালন কৰে), অংশগ্রহণকাৰী ধৰণৰ তৃণমূল পর্যায়ৰ যোগাযোগৰ বাবে প্রক্রিয়া আৰু ৰণনীতি (বিশেষকৈ মতামতৰ প্রক্রিয়া) নির্ধাৰণত গুৰুত্ব আৰোপ কৰা হয়।
- **তথ্যৰ আদান-প্রদান ঃ** এই প্রক্রিয়াত তথ্যৰ যোগাযোগ প্রক্রিয়াৰ সৈতে সংযোগৰ চেষ্টা কৰা হয়। এইক্ষেত্রত এক সামূদায়িক যোগাযোগ প্রক্রিয়া অবিহনে জনসাধাৰণৰ বোধগম্যতা সৃষ্টিৰ লগতে গ্রহণীয়তা বৃদ্ধিৰ কাৰণে তথ্য এককভাবে লাভজনক উপাদান নহয়। তথ্য উৎসৰ পৰা সমাজলৈ, বা সমাজৰ সাধাৰণ স্তৰৰ আলোচনাৰ পৰা সিদ্ধান্ত গ্রহণ প্রক্রিয়াৰ বিভিন্ন স্তৰলৈ প্রবাহিত হ'ব পৰাকৈ আমি যোগাযোগৰ সঠিক মাধ্যমবোৰো ব্যৱহাৰ কৰিব লাগিব। এই বিষয়ত গোট আৰু সমূদায়সমূহৰ মাজত প্রবাহিত তথ্যৰ প্রচলন আৰু আদান-প্রদানত উদগনি দিয়াৰো প্রয়োজন আছে।
- **দ্বি-মুখী মাধ্যম ঃ** এই যোগাযোগ ব্যৱস্থাত, গোট বা সম্প্রদায়ৰ দ্বাৰা ব্যৱহাৰ কৰিব পৰা পাৰস্পৰিক বা দ্বিমুখী যোগাযোগ প্রণালীৰ ভিতৰত, তথ্য বা বার্তাৰ আদান-প্রদানত সীমাবদ্ধ হৈ নথকা, ধাৰণাৰ আদান-প্রদানত সহায় কৰা বিভিন্ন মাধ্যমৰ ব্যৱহাৰত (আধুনিক গণ মাধ্যমৰ সমানেই আন্তঃব্যক্তিগত সম্পর্ক আৰু পৰম্পৰাগত যোগাযোগৰ মাধ্যমসমূহো এই ক্ষেত্রত সাঙুৰি লোৱা হয়) উদগনি দিয়া হয়। এই প্রণালীবোৰৰ ব্যৱহাৰ সমূদায়িক যোগাযোগৰ প্রক্রিয়াৰ সৈতে সংযুক্ত কৰা হয়, য'ত সেইবোৰ কি মানদণ্ডৰ অধীনত পৰিকল্পনা বা প্রৱর্তন কৰা হৈছে, সেইবোৰ স্থাপন কৰাৰ চর্তাৱলী, আৰু সেইবোৰ কেনেদৰে মূল্যায়ন কৰিব পাৰি সেই সম্পর্কেও নির্দেশনা দিয়া হৈছে।
- **অনানুষ্ঠানিক শিক্ষা ঃ** এই যোগাযোগ ব্যৱস্থাই অনানুষ্ঠানিক শৈক্ষিক প্রক্রিয়াবোৰ, তৃণমূল পর্যায়ৰ যোগাযোগ প্রক্রিয়াৰ সৈতে ওতপ্রোতভাৱে জড়িত বুলি বিশ্বাস কৰে। উন্নয়নৰ বাবে প্রয়োজনীয় আচৰণগত আৰু মানসিকতাৰ পৰিৱর্তন সুনিশ্চিত কৰিবলৈ

তথ্য পৰ্যাপ্ত নহয়। ইয়াৰ অৰ্থ এয়েই যে এনেধৰণৰ উন্নয়নমূলক যোগাযোগৰ সৈতে জ্ঞানৰ আদান-প্ৰদান প্ৰক্ৰিয়াৰ গভীৰ সম্পৰ্ক আছে, যি ব্যক্তি আৰু গোট বিশেষক সংগঠিত কৰাৰ লগতে যোগাযোগ প্ৰক্ৰিয়াৰ জৰিয়তে পৰিবহণ কৰা তথ্য, জ্ঞান আৰু মনোভাৱৰ অৰ্থ নিৰ্ধাৰণ কৰিবলৈ সহায় কৰে।

এইক্ষেত্ৰত অনানুষ্ঠানিক শিক্ষাৰ ধাৰণাটোৱে এক নিৰ্দিষ্ট লক্ষ্য গোটৰ লাভালাভৰ বাবে প্ৰস্তুত কৰা চৰকাৰী শৈক্ষিক প্ৰণালীৰ বাহিৰৰ সংগঠিত শৈক্ষিক কাৰ্যকলাপক সূচায়। অনানুষ্ঠানিক শিক্ষাই শৈক্ষিক আৰু প্ৰশিক্ষণ আন্তঃগাঁথনিৰ সুবিধা লাভ নকৰা লোকসকলৰ সৈতে সম্পৰ্ক স্থাপন কৰিব বিচাৰে। ই সাধাৰণতে মুখ্য কাৰ্যকলাপৰ সৈতে সম্পৰ্কিত বিষয়বোৰ, যেনে কৃষি, স্বাস্থ্য, সামূহিক বিকাশ ইত্যাদিৰ সৈতে জড়িত হৈ থাকে।

জ্ঞান আৰু অভিজ্ঞতাৰ আদান-প্ৰদানৰ ওপৰত ভিত্তি কৰি তথ্যৰ একপক্ষীয় প্ৰেৰণৰ দৰে উলম্ব পদ্ধতিৰ পৰা আঁতৰি, অধিক সৃষ্টিশীল দৃষ্টিভংগীৰে এই ধৰণৰ যোগাযোগ ব্যৱস্থাই, গোট আৰু সম্প্ৰদায়বোৰক তেওঁলোকৰ নিজস্ব সমস্যা নিৰ্ণয় কৰাৰ লগতে সম্ভাব্য সমাধানো চিনাক্ত কৰিবলৈ আৰু সকলো স্তৰৰ লোকৰ সু-অৱগত সিদ্ধান্ত লঅৰ পৰাকৈ প্ৰয়োজনীয় দক্ষতা আহৰণ কৰি, উন্নয়নমুখী দায়িত্বশীলতাৰে পদক্ষেপ লঅবলৈ এক মঞ্চ প্ৰদান কৰে।

৬.৫ ভাৰতীয় প্ৰেক্ষাপটত চৰকাৰী পদক্ষেপ

ভাৰতে ইতিমধ্যে ষষ্ঠ উন্নয়ন দশকৰ মাজেৰে পাৰ হৈছে। আৰু এই কেওটা দশকতে উন্নয়নমূলক যোগাযোগৰ বিভিন্ন প্ৰগতিৰ পথ, দৰ্শন আৰু মূল্যায়নো কৰা হৈছে। ইয়াৰে প্ৰথমটো দশকত সামাজিক উন্নয়নৰ জৰিয়তে ৰাষ্ট্ৰীয় বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। সামূহিক বিকাশ আৰু পঞ্চায়তী ৰাজৰ আৰ্হিবোৰ অংশীদাৰী যোগাযোগ ব্যৱস্থাৰ অপৰিহাৰ্য উপাদান আছিল। সেইখিনি সময়ত বেছিভাগ আন্তৰ্জাতিক উন্নয়ন সম্প্ৰদায়ে প্ৰমুখ বা প্ৰভাৱশালী দৃষ্টিভংগীকে আকোঁৱালি লৈছিল। সেয়েহে দ্বিতীয়টো উন্নয়ন দশকত, ভাৰতেও প্ৰভাৱশালী দৃষ্টিভংগীক আকোঁৱালি লয় আৰু ঔদ্যোগিকৰণৰ জৰিয়তে আধুনিকীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আন্তৰ্জাতিক উন্নয়ন সম্প্ৰদায়ৰ দ্বাৰা নতুন দৃষ্টিভংগী হিচাপে স্বীকৃতি প্ৰাপ্ত অংশীদাৰী যোগাযোগ ব্যৱস্থা আৰু মৌলিক ন্যূনতম প্ৰয়োজনীয়তাৰ আৰ্হি দুটা ১৯৭০ৰ দশকৰ পৰা বৰ্তমানলৈকে ভাৰতীয় প্ৰেক্ষাপটত কাৰ্যকৰী হৈ আছে।

ৰাজনৈতিক নেতৃত্ব, উন্নয়নৰ লগত জড়িত প্ৰশাসনীয় ব্যৱস্থা আৰু গ্ৰাম্যনগৰীয়া জনসাধাৰণ হৈছে ভাৰতত উন্নয়ন প্ৰক্ৰিয়াৰ সৈতে জড়িত তিনিটা প্ৰাসংগিক মাপকাঠি। আৰণ্টন কৰা কাৰ্য আৰু দায়িত্বৰ ওপৰত এই তিনিওৰে ভূমিকা কাৰ্যকৰী ৰূপত নিৰ্ভৰ কৰে। এক প্ৰদত্ত সময়ত দেশৰ জনসাধাৰণৰ সামগ্ৰিক বৈশিষ্ট্য আৰু সংবাদ মাধ্যমৰ স্থিতি, উন্নয়ন আৰু পৰিৱৰ্তন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত যথেষ্ট প্ৰাসংগিক হিচাপে পৰিগণিত হৈছে। এই ক্ষেত্ৰত ভাৰতীয় জনতাৰ আৰু গণ মাধ্যমৰ সাম্প্ৰতিক প্ৰ'ফাইলৰ বিষয়ে উল্লেখ কৰাৰ প্ৰাসংগিকতা আছে।

জনতাৰ প্ৰফাইল পৰম্পৰাগত ভাৰতীয় সমাজৰ বাস্তৱিক সত্য হৈছে নিয়তিবাদ, যাক সন্তুষ্টি হিচাপেও চিহ্নিত কৰিব পাৰি। বস্তুবোৰ যেনে তেনেকৈ নিষ্ক্ৰিয় ভাৱে গ্ৰহণ কৰা; ব্যক্তিগত নিৰ্ভৰশীলতা-স্বনিৰ্ভৰশীলতামূলক পদক্ষেপৰ সলনি সামগ্ৰী আৰু সেৱা বিষয়ক নিৰ্দেশনা আৰু ব্যৱস্থা দুয়োটাৰ বাবে আনৰ মুখলৈ চোৱাৰ মনোভাৱৰ লগতে ইউনেস্কোৱে শোষণমূলক সম্পৰ্ক

বুলি অভিহিত কৰা বৈশিষ্ট্যসমূহ অর্থাৎ সামাজিক সম্পর্কৰ আৰ্হি, য'ত স্থানীয় অভিজাত সকলে অবিৰতভাবে জনসাধাৰণক শোষণ কৰে আৰু আধুনিক উদ্ভাৱনৰ বিষয়ে অজ্ঞতা, উদাহৰণস্বৰূপে জন্ম নিয়ন্ত্ৰণ, স্থানীয় স্বাস্থ্য সমস্যা তথা অর্থনৈতিক সুযোগ লাভৰ কাৰণে স্থানীয় নেতাসকলৰ ওপৰত নির্ভৰশীলতা বৃদ্ধি কৰা সামাজিক শ্ৰেণী বিন্যাসত অংশগ্ৰহণ ভাৰতীয় জনসাধাৰণৰ স্বাভাৱিক সামাজিক বৈশিষ্ট্য। সাক্ষৰতা, ব্যাপক দৰিদ্ৰতা বৃহৎ পৰিমাণৰ নিবনুৱা আৰু জনসংখ্যা বৃদ্ধিও ভাৰতীয় জনসমাজৰ সামাজিক বৈশিষ্ট্য। চহৰীয়া জনসংখ্যাৰ বেছিভাগেই কাষৰীয়া গ্ৰাম্য অঞ্চলৰ পৰা প্ৰব্ৰজিত হৈ আহি চহৰ অঞ্চলত বস্তিৰ দৰে অঞ্চলৰ সৃষ্টি কৰে। ভাৰতীয় জনসাধাৰণৰ থকা আৰু নথকা সকলৰ মাজত তাৎপর্যপূর্ণ পার্থক্য লক্ষ্য কৰিব পাৰি।

গণমাধ্যমৰ প্ৰফাইল ঃ ভাৰতীয় সমাজত বেছিভাগ লোকৰে গণ মাধ্যমৰ সৈতে সংস্পর্শ অতি কম। গণ মাধ্যমৰ বিভিন্ন মঞ্চসমূহৰ জনসাধাৰণৰ মাজত বিস্তৃত প্ৰসাৰ নাই। ক্ৰয় ক্ষমতা কম হোৱাৰ বাবে জনসাধাৰণৰ সিংহভাগৰেই এই মঞ্চসমূহত প্ৰৱেশাধিকাৰ নাই। উন্নয়নৰ বাবে উপলব্ধ মাধ্যমবোৰৰ ভিতৰত ৰেডিঅ', চলচ্চিত্ৰ, টি.ভি. আৰু ছপা মাধ্যমেই প্ৰধানতঃ ব্যৱহাৰ হয়। উন্নয়নমূলক যোগাযোগৰ বাবে উপগ্ৰহ যোগাযোগ আৰু লোক মাধ্যমৰ ব্যৱহাৰৰ ক্ষেত্ৰত বিস্তৃতভাবে পৰীক্ষা-নিৰীক্ষা কৰা হৈছে আৰু বিশেষকৈ টি.ভি. উপলব্ধ হোৱা অঞ্চলবোৰত গ্ৰাম্য জনসাধাৰণৰ বাবে ইয়াৰ ব্যৱহাৰো কৰা হৈছে; কিন্তু অর্থনৈতিক আৰু আন্তঃগাঁথনিগত কাৰণত বেছিভাগ লোকেই এই সেৱাসমূহৰ পৰা বঞ্চিত হৈ আছে। সেয়েহে উন্নয়ন আৰু পৰিৱর্তনৰ প্ৰয়োজনত মানুহক উদগনি দিবৰ কাৰণে আন্তঃব্যক্তিগত মঞ্চসমূহ ব্যৱহাৰ কৰা হয়। এই ক্ষেত্ৰত মন কৰিব লাগিব যে বেছিভাগ সংবাদ মাধ্যমৰ বিষয়বস্তুও নগৰমুখী বা নাগৰিক জীৱন কেন্দ্ৰিক। বিভিন্ন অঞ্চলত উন্নয়ন প্ৰয়োজনীয়তাসমূহৰ ক্ষেত্ৰত বিদ্যমান অসামঞ্জস্যতাৰ বাবে কিছুমান টি.ভি. চেনেলক আঞ্চলিক আৰু স্থানীয় চৰিত্ৰ প্ৰদান কৰিবলৈ সাম্প্ৰতিক সময়ত প্ৰয়াস কৰা হৈছে। ৯০ৰ দশকৰ পৰা কেবল টি.ভি.ৰ উপস্থিতিয়ে ভাৰতীয় বৈদ্যুতিন মাধ্যমৰ সামগ্ৰিক পৰিস্থিতি সলনি কৰি, আন্তর্জাতিক বা-বাতৰি আৰু অন্যান্য বিষয়বস্তুসমূহ জনসাধাৰণৰ কাৰণে সুলভ কৰি তুলিছে। ভালেসংখ্যক মহানগৰ আৰু চহৰত এফ.এম. চেনেলৰ প্ৰৱর্তনৰ লগে লগে ৰেডিঅঅৰ পৃথিৰীখনো বৈচিত্ৰ্যময় হৈ উঠিছে।

উন্নয়নৰ ভাৰতীয় পৰম্পৰা তথা অভিজ্ঞতাৰ ইতিহাস চৰকাৰৰ ইচ্ছাকৃত চয়নসমূহৰদ্বাৰা নির্ধাৰিত। অসন্তুষ্টিৰ সর্পিল গতিত অৱৰোধৰ সৃষ্টি কৰিবলৈ চৰকাৰে গণ মাধ্যম আৰু চৰকাৰী প্ৰতিনিধিসকলৰ ওপৰত নির্ভৰ কৰি আহিছে। গৱেষকসকলে এইবোৰ যোগাযোগৰ আটাইতকৈ কম কার্যকৰী উপায় কিন্তু গ্ৰাম্য আৰু নগৰীয়া সম্প্ৰদায়ৰ সামাজিক গাঁথনিত আটাইতকৈ বেছিকৈ উপলব্ধ বুলি মত প্ৰকাশ কৰে।

উন্নয়নমূলক যোগাযোগৰ ভাৰতীয় আৰ্হি ঃ গ্ৰাম্য পুনর্নির্মাণৰ গান্ধীবাদী পৰিকল্পনা আছিল ভাৰতীয় উন্নয়নৰ পৰিকল্পনাৰ মূল-আৰ্হি। স্থানীয় প্ৰয়োজনীয়তাৰ আর্থ-সামাজিক বিকাশ; আত্ম-বিকাশ আৰু আত্মনির্ভৰশীলতাৰ বাবে গাঁৱৰ অংশগ্ৰহণ আৰু গ্ৰাম্য ঔদ্যোগিকৰণ- এই তিনিটা প্ৰধান প্ৰমূল্যৰ ওপৰত ইয়াত গুৰুত্ব আৰোপ কৰা হৈছিল। ১৯৪৮-৫২ চনত ইটাৰাত কৰা সম্পৰীক্ষাত প্ৰথম দুটা প্ৰমূল্যৰ মূল্যায়ন কৰা হৈছিল আৰু এইবোৰৰ পৰা আহৰণ কৰা শিক্ষাই সজাগতা, অনুপ্ৰেৰণা আৰু প্ৰাপ্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

১৯৫২ চনৰ পৰা সামূহিক উন্নয়ন কার্যসূচীসমূহ আৰম্ভ হৈছিল, য'ত গাওঁখন উন্নয়নৰ কেন্দ্ৰবিন্দু আছিল। দেশৰ ৰাজনৈতিক নেতৃত্বই, সমূহ আৰু ব্যক্তিৰ মাজত আন্তঃসম্পর্ক গঢ়ি তুলি, বস্তুবাদী আৰু সামাজিক পুনর্গঠনৰ কাৰণে সামূহিক বিকাশ কার্যসূচীৰ পৰিকল্পনা কৰিছিল।

ইয়াত জনসাধাৰণৰ উমৈহতীয়া কল্যাণৰ বাবে সুবিধা আৰু সংস্থা সৃষ্টি কৰাৰ লগতে এইসমূহ স্থায়িত্বও সুনিশ্চিত কৰিবলৈ চেষ্টা কৰা হৈছিল। এই কাৰ্যসূচীবোৰে সামগ্ৰী, শ্ৰম আৰু নগদ ধনৰ অৱদান আগবঢ়াই জনসাধাৰণৰ উন্নয়ন প্ৰচেষ্টাৰ অবিচ্ছেদ্য অংশ হিচাপে বাহ্যিক সমৰ্থনৰ লগতে প্ৰক্ৰিয়াত অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। প্ৰগতিশীল আৰু বিকশিত পৰিৱেশ তথা পৰিস্থিতিৰ আদৰ্শক কম বিকশিত আৰু নিয়তিবাদী গ্ৰাম্য পৰিৱেশলৈ পৰিবাহিত কৰাৰ ই এক অনুশীলন হিচাপে কাম কৰিছিল।

ইয়াৰ সমসাময়িকভাবে প্ৰথমবাৰৰ কাৰণে, উন্নয়নমূলক যোগাযোগৰ বাবে, সম্প্ৰসাৰণ পদ্ধতি গ্ৰহণ কৰা হৈছিল আৰু উন্নয়ন প্ৰশাসনৰ বাবে খণ্ড উন্নয়ন আন্তঃগাঁথনিৰ ব্যৱহাৰ কৰা হৈছিল। ৰাষ্ট্ৰীয় পঞ্চবাৰ্ষিক উন্নয়ন পৰিকল্পনাসমূহে এক সুনিৰ্দিষ্ট সময়ৰ ভিতৰত নিৰ্দিষ্ট উন্নয়ন পৰিকল্পনা যুক্তিযুক্ততা তথা উদ্দেশ্যবোৰ স্পষ্টভাৱে প্ৰকাশ কৰিছিল। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত (১৯৫১-৫৬) সামূহিক বিকাশ কাৰ্যসূচীসমূহ অন্তৰ্ভুক্ত কৰা হৈছিল। এই কাৰ্যসূচী এক আনুষংগিক প্ৰশাসনিক পৰ্যায় আছিল। উন্নয়নমূলক যোগাযোগৰ আৰ্হিটোৱে চৰকাৰৰ ওপৰত ওলোটা পিৰামিড আৰ্হিৰ নিৰ্ভৰশীলতাৰ পোষকতা কৰিছিল যদিও উন্নয়ন কাৰ্যসূচীবোৰ জনসাধাৰণে অনুভৱ কৰা প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰাৰো প্ৰয়াস কৰিছিল। পৰিকল্পনাৰ সময়ত, প্ৰযুক্তিগতভাৱে আন্তঃব্যক্তিগত আৰু গণ মাধ্যমৰ মঞ্চসমূহৰ বিকাশৰ লগতে উন্নয়নমুখী কাৰ্যকলাপত অংশগ্ৰহণৰ বাবে জনসাধাৰণক অৱগত কৰোৱা, শিক্ষিত আৰু অনুপ্ৰাণিত কৰাৰ বাবে উপযুক্ত তথ্যৰাজিৰ বিশ্লেষণ কৰিবলৈ যোগাযোগ ব্যৱস্থাৰ ওপৰত দায়িত্ব আৰোপ কৰা হৈছিল।

আজি, জনসাধাৰণ উন্নয়নৰ প্ৰয়োজনীয়তা আৰু প্ৰকল্পৰ বিষয়ে অধিক সচেতন, আৰু তেওঁলোকৰ দাবী পূৰণ নোহোৱাৰ বাবে অসন্তুষ্টও। জনসাধাৰণ পূৰ্বৰ তুলনাত উন্নয়নৰ আমোলাতন্ত্ৰৰ বিষয়ে বহুত বেছি সজাগ। আজিৰ তাৰিখত যোগাযোগৰ কোনবোৰ মাধ্যম তেওঁলোকৰ বাবে অধিক উপযোগী হ'ব সেই বিষয়ে সাধাৰণ ৰাইজৰ আগতকৈ স্পষ্ট ধাৰণা থকা দেখা গৈছে।

ভাৰতীয় প্ৰেক্ষাপটত উন্নয়নৰ পৰিকল্পিত ছবি আৰু ইয়াৰ বাস্তৱিক ৰূপায়ণৰ দিশসমূহ দুটা প্ৰসংগত উপস্থাপন কৰা হৈছে, আৰ্থ-সামাজিক উন্নয়ন আৰু যোগাযোগৰ দৃষ্টিভংগী। বিকাশৰ প্ৰতিচ্ছবিৰ পৰিকাঠামো ব্যক্তি বিশেষৰ নিজে অনুভৱ কৰা প্ৰয়োজনীয়তা আৰু সম্পদৰ উপলব্ধতা, আনহাতে যোগাযোগৰ দৃষ্টিভংগী ব্যক্তি এজনৰ নিজৰ লগতে আনৰ ওপৰতো নিৰ্ভৰশীল। বিভিন্ন গোটৰ বিকাশ, আকাংক্ষা আৰু প্ৰত্যাশাৰ কিছুমান পূৰ্বধাৰণা আছে। এইসমূহ নিজৰ লগতে তেওঁলোকৰ বাবে বিকাশৰ পৰিকল্পনা কৰা সকলৰ ধাৰণাৰ ওপৰত নিৰ্ভৰ কৰে। পৰিকল্পনাকাৰীসকলেও জনসাধাৰণৰ উন্নয়ন আকাংক্ষা আৰু অংশীদাৰীত্বৰ প্ৰত্যাশাৰ কিছুমান পূৰ্বধাৰণা কৰে। প্ৰত্যেক ৰাষ্ট্ৰই উন্নয়নৰ লক্ষ্য হিচাপে উন্নয়নৰ কিছুমান প্ৰতিচ্ছবি নিৰ্ধাৰণ কৰে। উন্নয়ন কি হ'ব লাগে তাৰ বাবে ৰাষ্ট্ৰসমূহৰ প্ৰত্যেকৰে এটা নিজস্ব সংগঠিত নীতি আছে। সেয়েহে, উন্নয়নৰ প্ৰতিচ্ছবি ৰাষ্ট্ৰসমূহৰ প্ৰত্যেকৰ বাবে পৃথক হ'ব পাৰে। একেদৰে বিভিন্ন গোটৰ উন্নয়নৰ দৃষ্টিভংগীও পৃথক হ'ব কিয়নো গোটবোৰৰ মাজত এক প্ৰাসঙ্গিক উন্নয়নৰ প্ৰতিচ্ছবি গঠন কৰাৰ সুযোগসমূহৰ পাৰ্থক্য আছে।

এই কথা অনস্বীকাৰ্য যে উন্নয়নৰ প্ৰতিচ্ছবিৰ এটা পৰিকাঠামো অত্যন্ত প্ৰয়োজনীয় সম্পদ। যোগাযোগৰ মাধ্যমসমূহৰ জৰিয়তে ৰাষ্ট্ৰীয় উন্নয়ন পৰিকল্পনাৰ সৈতে সংগতি থকা উন্নয়নৰ প্ৰমূল্যসমূহ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ দৰ্শকৰ সন্মুখত গণ মাধ্যম আৰু

আন্তঃব্যক্তিগত যোগাযোগ ব্যৱস্থাৰ যোগেৰে দাঙি ধৰা হয়। উন্নয়নৰ ই আদৰ্শগত প্ৰতিচ্ছবি। চৰকাৰ আৰু জনসাধাৰণ উভয়ৰে উন্নয়ন সম্বন্ধীয় কিছুমান আদৰ্শগত প্ৰতিচ্ছবি আছে। উন্নয়নৰ এই দুয়োৰে মিশ্ৰিত প্ৰতিচ্ছবিখনে বাস্তৱত গ্ৰহণ কৰা উন্নয়নৰ লক্ষ্য অনুশীলন, প্ৰাপ্তি তথা বাস্তৱিকতাৰ উন্নয়নৰ আদৰ্শৰ সৈতে দূৰত্ব সম্পৰ্কে জনসাধাৰণক অৱগত কৰে।

এখন দেশৰ যোগাযোগ মাধ্যমসমূহে এখন দেশৰ উন্নয়নৰ প্ৰতিচ্ছবি সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যোগাযোগ মাধ্যমআৰু ইয়াৰ বিশ্লেষণে উন্নয়নৰ প্ৰতিচ্ছবি এখন প্ৰতিফলিত কৰে। আদৰ্শগত ছবিবোৰ স্বতঃস্ফূৰ্ত হোৱৰ লগতে পৰিকল্পনাকাৰী আৰু জনসাধাৰণৰ অভীপ্সাসমূহৰ অনুসাৰে সংৰচিত। প্ৰভাৱশালী উন্নয়নৰ প্ৰতিচ্ছবিৰ দুটা গোটৰ দ্বাৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় দুয়োপ্ৰকাৰৰ সম্পৰ্ক প্ৰভাৱিত হয়: নীতি নিৰ্মাতাসকলে দাঙি ধৰা ছবি তথা উন্নয়ন কৰ্মকৰ্তা আৰু জনসাধাৰণে আঁকা ছবি। আনহাতে বাস্তৱত এই কাৰ্যব্যৱস্থা সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক চলকৰ দ্বাৰা প্ৰভাৱিত এক একত্ৰিত আৰ্থ-সামাজিক প্ৰক্ৰিয়াৰ দ্বাৰা পৰিচালিত হয়।

ভাৰতত আৰ্থ-সামাজিক উন্নয়ন আৰু যোগাযোগৰ দৃষ্টিভংগীয়ে এক আদৰ্শগত উন্নয়নৰ প্ৰতিচ্ছবি উপস্থাপন কৰে যাৰ কিছুমান যৌক্তিক দুৰ্বলতা থাকে আৰু বিকাশ প্ৰক্ৰিয়াৰ বিৰোধী পৰিস্থিতিত ই কিছুমান সীমাবদ্ধতাৰ সৃষ্টি কৰি বিপৰীত প্ৰভাৱৰো সৃষ্টি কৰিব পাৰে। উন্নয়ন ক্ষেত্ৰৰ ই এক বাস্তৱিক প্ৰসংগ। ভাৰতত ৰাজনৈতিক নেতৃত্ব, নীতি নিৰ্মাতা, উন্নয়ন আমোলাতন্ত্ৰ আৰু জনসাধাৰণৰ উন্নয়নৰ প্ৰতিচ্ছবিখনৰ যোগাযোগ আন্তঃগাঁথনিৰ সৈতে সম্পৰ্ক থকা আদৰ্শগত আৰু বাস্তৱিক উপস্থিতি অনুভৱ কৰিব পাৰি।

উন্নয়নৰ আৰ্হিঃ আদৰ্শ আৰু বাস্তৱ- ভাৰতীয় উন্নয়ন প্ৰেক্ষাপটত গান্ধীবাদী উন্নয়নৰ আৰ্হি এক আদৰ্শ হিচাপে ধৰি লোৱা হয়। ই উন্নয়নক প্ৰমূল্য, উদ্দ্যেশ্য আৰু মানুহৰ নৈতিক তথা আত্মিক সম্ভাৱনাসমূহক সাঙুৰি লোৱা এক প্ৰকাৰৰ সামাজিক পৰিৱৰ্তন হিচাপে গণ্য কৰে। এই আৰ্হিয়ে ঔদ্যোগিক উন্নয়নৰ যোগেদি উন্নয়ন সম্ভৱপৰ বুলি বিশ্বাস নকৰে, বৰঞ্চ সামাজিক পৰিৱৰ্তনৰ দ্বাৰা চিহ্নিত গ্ৰাম্য আন্তঃগাঁথনিৰ সংস্কাৰকৰণকহে উন্নয়ন হিচাপে মানি লয়। অৱশ্যে বাস্তৱ পৰিসৰত, উন্নয়নৰ পৰৱৰ্তী দশকসমূহত কম সময়তে দ্ৰুত উন্নয়নৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ দেশৰ ৰাজনৈতিক নেতৃত্বৰ আদৰ্শগত পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত গান্ধীবাদী আৰ্হিৰ পৰা ধাৰণা তথা আদৰ্শগত স্তৰত বিচ্যুতি পৰিলক্ষিত কৰিব পাৰি। এই ক্ষেত্ৰত উন্নয়ন প্ৰশাসনিক ব্যৱস্থাই উন্নয়নমূলক যোগাযোগৰ কৌশলসমূহ আদৰ্শৰ লগত সংগতি ৰাখি সাজু কৰি তোলে। ফলস্বৰূপে শ্ৰেষ্ঠ উন্নয়ন আৰ্হিৰ অনুসন্ধানত বিভিন্ন উন্নয়ন আৰ্হিসমূহৰ মাজত এক দোলনাৰ দৰে অৱস্থিতিৰো সৃষ্টি হোৱা যেন অনুভৱ হয়। কিন্তু সাম্প্ৰতিক উন্নয়নৰ পৰিস্থিতি আৰু ৰণনীতিয়ে এক বেলেগ প্ৰেক্ষাপটৰ উপস্থাপন কৰে। সাম্প্ৰতিক সময়ত, পৰিকল্পনাকাৰীসকলে তিনিটা উন্নয়ন আৰ্হিৰ ওপৰত গুৰুত্ব আৰোপ কৰা দেখা যায়- মৌলিক ন্যূনতম প্ৰয়োজনীয়তা (B M N) আৰ্হি, অংশীদাৰী আৰ্হি আৰু প্ৰযুক্তিগত আৰ্হি (Burnett Pearce and Narula Uma, Development as Communication, 1984)। একবিংশ শতিকাত ভাৰতে দ্বিমুখী বন্ধন আৰু নিৰ্ভৰশীলতাৰ দ্বিধা তথা অবিশ্বাসৰ দ্বিধাযুক্ত পৰিস্থিতিত প্ৰযুক্তিগত আশাবাদ সৃষ্টি কৰি উন্নয়নৰ বাবে এক প্ৰযুক্তিগত আৰ্হিৰ সৈতে আগবাঢ়ি আহিছে।

উন্নয়ন কৰ্মকৰ্তাসকল জনসাধাৰণৰ বস্তুগত কল্যাণসাধনৰ লগতে জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ সুনিশ্চিতকৰণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। মৌলিক প্ৰয়োজনীয়তা পূৰণৰ কাৰণে অপৰিহাৰ্য কাৰ্যকলাপ যেনে, সুৰক্ষিত খোৱা পানীৰ ব্যৱস্থাকৰণৰ দৰে কামকো বৰ্ধিত নিষ্ক্ৰিয়তা আৰু

নিৰ্ভৰশীলতাৰ দৃষ্টিভংগীৰ পৰা লক্ষ্য কৰিলে নিৰ্ভৰশীলতাৰ দ্বিধা সৃষ্টি হয়। আনহাতে প্ৰতিনিধিসকলৰ সীমাবদ্ধতাতকৈ অধিক দাবী কৰা জনসাধাৰণৰ সীমিত কৰ্তৃত্বৰ বিশ্বাসৰ পৰাই সীমিত পছন্দৰ উপলব্ধতাৰ পৰিপ্ৰেক্ষিতত অবিশ্বাসৰ দ্বিধা সৃষ্টি হয়। উন্নয়ন আমোলাতন্ত্ৰৰ কাৰ্যকাৰীতাৰ ৰাজহুৱা মূল্যায়নো তেনেই কম। দুৰ্নীতি, উন্নয়ন বিতৰণ প্ৰণালীত নিম্ন কাৰ্যকাৰীতা, উন্নয়নৰ প্ৰচেষ্টাৰ পৰ্যাপ্ত নিৰীক্ষণ তথা মূল্যায়নৰ অভাৱৰ লগতে ৰাজহুৱা অভিযোগ নিষ্পত্তিকৰণৰ মাধ্যমৰ অভাৱো এইক্ষেত্ৰত মন কৰিবলগীয়া।

নাৰুলা আৰু ধাৰানে (১৯৮২) ভাৰতত উন্নয়ন আমোলাতন্ত্ৰ (DB- Development Bureaucracy) বিষয়ত কৰা গৱেষণাত ইংগিত দিছিল যে জনসাধাৰণ আৰু চৰকাৰী সংস্থাসমূহ দুয়ো ক্ষেত্ৰতে পাৰস্পৰিক উদ্দেশ্য ৰূপায়ণত তেওঁলোকে কিছু পৰিমাণে দুৰ্নীতি তথা অস্বচ্ছতাৰ অনুভৱ কৰিছিল। অথচ উন্নয়নত অংশগ্ৰহণ কৰাৰ পৰিৱৰ্তে জনসাধাৰণে পৰ্যাপ্ত কাম নকৰাৰ বাবে চৰকাৰক সমালোচনা কৰাতেই দায়িত্ব সামৰে। তেওঁলোকে লক্ষ্য কৰিছিল যে জনসাধাৰণে নিজৰ সমস্যাবোৰ নিৰ্ধাৰণ কৰি উন্নয়ন কৰ্মকৰ্তাসকলৰ সৈতে সহযোগিতা কৰিবলৈ সক্ষম হ'লেহে উন্নয়ন বিষয়ত আত্মনিৰ্ভৰশীল হ'ব পাৰিব। উন্নয়ন কৰ্মকৰ্তাসকলেও দুৰ্নীতি আৰু জনকল্যাণৰ প্ৰতি উদাসীন মনোভাৱৰ পৰিপ্ৰেক্ষিতত উন্নয়নৰ তথ্য আহৰণ আৰু লাভালাভৰ বিষয়ত বাধাৰ সৃষ্টি কৰে। তদুপৰি, তেওঁলোকে দেশৰ পৰম্পৰাগত জ্ঞান আৰু সঞ্চিত অভিজ্ঞতাক মূল্য দিব পৰা প্ৰশিক্ষণ জনিত অক্ষমতাৰ বাবে জনসাধাৰণৰ অংশগ্ৰহণৰ ব্যৱস্থাটোকো স্বীকাৰ কৰিব নোখোজে। প্ৰযুক্তিগত আৰ্হিয়ে গ্ৰাম্য আৰু চহৰাঞ্চলৰ তৃণমূল স্তৰৰ লোকসকলৰ জীৱন শৈলীত বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰয়োগ তথা সেইবোৰৰ আত্মীভূতকৰণৰ পৰামৰ্শ দিয়ে। বাস্তৱক্ষেত্ৰত, তৃণমূল পৰ্যায়ত বৈজ্ঞানিক মানসিকতাৰ বাৰুকৈয়ে অভাৱ দেখিবলৈ পোৱা যায়। ভাৰতত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ লগতে উন্নয়নৰ বাবে ইয়াৰ গ্ৰহণযোগ্যতা আৰু প্ৰয়োগৰ অপৰিহাৰ্যতা দ্ৰুতগতিত উপলব্ধি কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩. মানে কি?

.....

.....

প্ৰশ্ন ৪. খালী ঠাই পূৰণ কৰা -

ক) উন্নয়নমূলক যোগাযোগে .....বাবে জনসাধাৰণলৈ উন্নয়নৰ বাৰ্তা প্ৰেৰণ কৰে।

.....

.....

খ) এ জনসাধাৰণৰ মাজত আনুভূমিক বিনিময়ক উদগনি দিয়ে।

.....

.....

৬.৬ উন্নয়ন আৰু ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত গণমাধ্যমৰ ভূমিকা

পৰম্পৰাগত লোক মাধ্যম আৰু নব্য মাধ্যমসমূহে উন্নয়ন আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ইতিহাসৰ আৰম্ভণিৰ পৰাই যোগাযোগৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশৰ সৈতে, যোগাযোগৰ প্ৰকাৰ আৰু পদ্ধতি অধিক

বিশেষকৃত হৈ পৰিছে। ভাৰতৰ দৰে এখন দেশত কেৱল আধুনিক গণ মাধ্যম সমূহেই যোগাযোগ মাধ্যমৰ প্ৰতিনিধি নহয়। নিশ্চিতভাবে টিভি, বাতৰিকাকত, ইণ্টাৰনেট ইত্যাদি গণমাধ্যমসমূহ আমাৰ বাবে উপলব্ধ। কিন্তু দৰিদ্ৰতা আৰু নিৰক্ষৰতাৰ বাবে গ্ৰাম্য অঞ্চলৰ লাখ লাখ লোকৰ এনে গণ মাধ্যমৰ সৈতে নিয়মীয়া সম্বন্ধ নাই। জনসংখ্যাৰ ৩৫ শতাংশ নিৰক্ষৰ হোৱাৰ লগতে সংবাদ মাধ্যমৰ প্ৰসাৰ মুখ্যতঃ নগৰ অঞ্চলতে সীমাবদ্ধ হৈ থকাৰ বাবে এইসমূহৰ জৰিয়তে প্ৰচাৰিত তথ্য, শিক্ষা আৰু মনো�ৰঞ্জন বৃহৎ সংখ্যক লোকৰ কাষ চাপিব নোৱাৰাকৈ থাকি যায়। ভাৰতীয় সমাজত বিভিন্ন জাতি, শ্ৰেণী, ধৰ্ম আৰু জনজাতিৰ উপস্থিতিৰে এক জটিল সামাজিক ব্যৱস্থাৰ অৱস্থিতি লক্ষ্য কৰিব পাৰি। নিৰক্ষৰতা আৰু দৰিদ্ৰতাৰ উচ্চ হাৰে গণমাধ্যমৰ গাঁৱত বাস কৰা প্ৰায় ৭০০ নিযুত লোকক স্পৰ্শ কৰিব পৰাৰ অসামৰ্থতা বৃদ্ধিৰে ইংগিত বহন কৰে। তেওঁলোকৰ বাবে, পৰম্পৰাগত শিল্পীৰ চিনাকি তথা আবেগিকভাবে সংস্পৰ্শলৈ আহিব পৰা পৰ্যায়ৰ প্ৰদৰ্শনৰ তুলনাত গণ মাধ্যমবোৰ চমকদাৰ অথচ নৈৰ্ব্যক্তিক আৰু অবিশ্বাস্য কিবা এটা বুলিহে প্ৰতীয়মান হৈছিল। দেশৰ পৰিৱৰ্তন আৰু উন্নয়নৰ প্ৰক্ৰিয়াত এই ধৰণৰ অসংস্পৰ্শিত জনসাধাৰণৰ ওচৰ চাপিবলৈ পৰম্পৰাগত মাধ্যমসমূহৰ ব্যৱহাৰ কৰিব পাৰি। পৰম্পৰাগত লোক মাধ্যমবোৰে গ্ৰাম্য সমাজত এইসমূহৰ গ্ৰহণযোগ্যতা, কাৰ্যকৰী গুৰুত্ব আৰু মনোৰঞ্জনজনিত উপাদানসমূহেৰ উপস্থিতিৰে এক তাৎপৰ্যপূৰ্ণ প্ৰভাৱ পেলায়। লোক মাধ্যমবোৰে ভাষা, কথা, শব্দ আৰু যোগাযোগৰ অন্যান্য বাধা যেনে, আগ্ৰহ, বুজাবুজি, ব্যাখ্যা, মনোভাৱ আৰু ধাৰণা আদিৰ সীমাবদ্ধতাসমূহ অতিক্ৰম কৰিব পাৰে। পৰম্পৰাগত লোক মাধ্যমসমূহ সামাজিক পৰিৱৰ্তনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বাহক। সামাজিক তথা কৃষিক্ষেত্ৰৰ বিভিন্ন বাৰ্তাসমূহৰ বিনিময়ৰ বাবে এই মাধ্যমৰ ভালেখিনি সংস্কাৰ সাধনৰ প্ৰয়োজন আছে যদিও পৰম্পৰাগত লোক মাধ্যমে গ্ৰামোন্নয়নৰ সৈতে জড়িত সামাজিক বিষয়সমূহ অতি সহজেই প্ৰতিফলিত কৰিব পাৰিব। আজিৰ তাৰিখত পৰম্পৰাগত লোক মাধ্যম আৰু আধুনিক গণ মাধ্যমে ইটোৱে সিটোৰ পৰিপূৰক হিচাপেই কাম কৰে। পৰম্পৰাগত আৰু আধুনিক দুয়ো ধৰণৰ মাধ্যমৰ এক সংহত যোগাযোগ কৌশলে গ্ৰাম্য জনসাধাৰণৰ মাজত তথ্য প্ৰচাৰত কাৰ্যকৰী ভূমিকা পালন কৰিব পাৰে। এই পৰম্পৰাগত মাধ্যমবোৰে কেৱল উন্নয়নমূলক কাৰ্যকলাপত সহায় আগবঢ়োৱাৰ লগতে পৰৱৰ্তী প্ৰজন্মৰ কাৰণে সংস্কৃতি, পৰম্পৰা আৰু মূল্যবোধৰ সংৰক্ষণ আৰু প্ৰেৰণতো সহায় কৰে। যিকোনো গণতান্ত্ৰিক দেশতে, গণমাধ্যমে জনমত সৃষ্টি তথা সাঁচত ঢলাৰ লগতে জনমানসত প্ৰতিফলনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কালক্ৰমত ব্ৰিটিছ ৰাজনীতিবিদ এণ্ডমাণ্ড বাৰ্কে কোৱাৰ দৰে গণমাধ্যমে অতি প্ৰভাৱশালী ভূমিকাৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ স্থিতিও আহৰণ কৰে। গণতান্ত্ৰিক ব্যৱস্থাৰে গণমাধ্যম ইমানেই সংপৃক্ত হৈ পৰিল যে আমেৰিকাৰ তৃতীয় ৰাষ্ট্ৰপতি থমাচ জেফাৰচনে (১৮০১-১৮০৯)কৈছিল, মোক যদি আমাক এখন বাতৰি কাগজহীন চৰকাৰ আৰু চৰকাৰ বিহীন বাতৰিকাগজৰ ভিতৰত এটা পৰিস্থিতি চয়ন কৰিবলৈ দিয়া হয়, মই এক মুহূর্তৰ দ্বিধা নৰখাকৈ নিশ্চিভাবে দ্বিতীয় পৰিস্থিতিটো চয়ন কৰিম। একে কাৰণৰ পৰিপ্ৰেক্ষিতত আমাৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ঘোষণা কৰিছিল, এটা নিয়ন্ত্ৰিত বা অৱদমিত সংবাদ মাধ্যমৰ অৱস্থিতিতকৈ মই স্বাধীনতাৰ অপব্যৱহাৰে কঢ়িয়াব পৰা সকলো বিপদৰ সম্ভাৱনাৰ সৈতেও এক মুক্ত সংবাদ ব্যৱস্থাৰ পোষকতা কৰিম।

গণ মাধ্যমে বাস্তৱিকতে জনজীৱনৰ সকলো বিষয়কে সাঙুৰি লয়। সংবাদ মাধ্যমে জনসাধাৰণৰ জ্ঞান তথা সজাগতা বৃদ্ধিৰ লগতে আৰু শিক্ষিত কৰণৰ ক্ষেত্ৰত এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সংবাদ মাধ্যমে যিকোনো এটা বিষয়তে জ্ঞান, দক্ষতা আৰু প্ৰযুক্তিক জনমুখী কৰি

বিষয়টোৰে জনসাধাৰণক জড়িত হোৱাত সহায় কৰিব পাৰে। বিভিন্ন গ্ৰামোন্নয়ন কাৰ্যসূচীৰ বিষয়ে সজাগতা সৃষ্টি তথা পৰিয়াল পৰিকল্পনাৰ প্ৰচাৰত সংবাদ মাধ্যমৰ ব্যৱহাৰ কৰিব পাৰি। ই কৃষকসকলকো কৃষিৰ নতুন আৰু উন্নত পদ্ধতিসমূহ আৰু শস্যৰ সুৰক্ষাৰ বিষয়ে সজাগ কৰি তোলে। সমাজত বিৰাজ কৰা বহুতো কুপ্ৰথা, যেনে বাল্য বিবাহ, কন্যা ভ্ৰূণ হত্যা, শিশু শ্ৰমিকৰ কু প্ৰথা ইত্যাদিৰ বিৰুদ্ধে জনজাগৰণ সৃষ্টি কৰাত সংবাদ মাধ্যমে অতি জোৰদাৰ ভূমিকা পালন কৰে। শৈক্ষিক কাৰ্যসূচীসমূহৰ জৰিয়তে, ই বৃহৎসংখ্যক শিক্ষাৰ্থীক একেখন মঞ্চত সামৰি লঅব পাৰে। সংবাদ মাধ্যমে বিজ্ঞানৰ বিকাশৰ বাবে শিক্ষাৰ্থীসকলৰ মাজত বৈজ্ঞানিক মানসিকতাৰো উৎকৰ্ষ সাধন কৰিব পাৰে। এইক্ষেত্ৰত চৰকাৰে সংবাদ মাধ্যমক সামাজিক পৰিৱৰ্তনৰ বাহক হিচাপে গঢ়ি তুলি অধিক কাৰ্যকৰীৰূপত ব্যৱহাৰ কৰিব পাৰে।

সংবাদ মাধ্যমে ভালেমান দুৰ্নীতিগ্ৰস্ত আচৰণ তথা গোপন বুজাবুজি ৰাইজৰ সন্মুখত উন্মোচন কৰি সামাজিক দুৰ্নীতি নিয়ন্ত্ৰণ কৰাত সহায় কৰিছে। বাতৰিৰ বিভিন্ন সেৱাসমূহে এইক্ষেত্ৰত সজাগ নাগৰিকসকলক সঠিক খবৰেৰে সময়ৰ সৈতে খোজ মিলাই চলিব পৰাকৈ সমৰ্থ কৰি ৰাখে। তেওঁলোকে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ বিষয়ে জনসাধাৰণক অৱগত কৰাৰ খাতিৰত সাম্প্ৰতিক ৰাজনৈতিক বিষয়বোৰত যুক্তি তৰ্ক আৰু আলোচনা অনুষ্ঠানৰ আয়োজন কৰে। গণমাধ্যমে চৰকাৰ আৰু জনসাধাৰণৰ মাজত এখন সেতুৰ কাম কৰে। চৰকাৰী নীতি আৰু কাৰ্যব্যৱস্থাসমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰাৰ লগতে গণমাধ্যমে জনসাধাৰণৰ মতামতসমূহো সজোৰে চৰকাৰৰ সন্মুখত ব্যক্ত কৰে। ইয়াৰ ফলত নীতি নিৰ্মাতাসকলে সততে আওকাণ কৰিব পৰা ভুলবোৰৰ বিষয়ে অৱগত হয়। নিৰ্বাচনৰ সময়ত, সংবাদ মাধ্যমবোৰে প্ৰাৰ্থীসকলৰ বিষয়ে জনসাধাৰণক বিতংকৈ অৱগত কৰে। ইয়াৰ ফলত সম্ভাব্য ভোটাৰে ভোট দিয়াৰ পৰিকল্পনা কৰা প্ৰাৰ্থীসকলৰ সম্পৰ্কে সম্পূৰ্ণভাবে অৱগত হৈ বিবেকৰদ্বাৰা পৰিচালিত হ'ব পাৰে। নিৰপেক্ষ আৰু নিৰ্ভীক গণমাধ্যম গণতন্ত্ৰৰ প্ৰাথমিক চৰ্তস্বৰূপ।



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নতুন ধাৰণা, সেৱা আৰু সামগ্ৰীৰ প্ৰসাৰৰ জৰিয়তে প্ৰযুক্তিগত আৰু সামাজিক উদ্ভাৱনৰ গ্ৰহণযোগ্যতা সৃষ্টি কৰাকে উদ্ভাৱনৰ প্ৰসাৰ বোলা হয়।
- উদ্ভাৱনৰ প্ৰসাৰৰ তিনিটা গুৰুত্বপূৰ্ণ পৰ্যায় আছে; ৰিঅৰিয়েণ্টেচন, ৰিফোকাচিং আৰু ৰিইনফৰ্চমেণ্ট।
- ৰজাৰ্চে (১৯৯৫) যোগাযোগ প্ৰক্ৰিয়াক এজন ব্যক্তিৰ পৰা আন এজনলৈ বাৰ্তা প্ৰেৰণৰ উপায়অঅ বুলি সংজ্ঞায়িত কৰিছিল।
- উন্নয়নমুখী যোগাযোগৰ অনুশীলন (DSC) হৈছে উন্নয়নৰ কাৰ্যসূচী আৰু পৰিকল্পিত পদক্ষেপৰ বিষয়ে তথ্য আদান-প্ৰদানৰ এক প্ৰক্ৰিয়া।
- উন্নয়নমুখী যোগাযোগে দাতা বা উৎস সমূদায়কে ধৰি পৰিকল্পনাকাৰী, হিতাধিকাৰী আৰু উন্নয়ন মূলক কাৰ্যৰ সকলো ৰূপায়ণকাৰীৰ মাজত সংযোগ স্থাপন কৰে।
- উন্নয়নমূলক যোগাযোগে আৰ্থ-সামাজিক উন্নতিৰ বাবে জনসাধাৰণলৈ উন্নয়নমূলক বাৰ্তা প্ৰেৰণ কৰে, আনহাতে, উন্নয়নমুখী যোগাযোগে উন্নয়ন পৰিকল্পনা নিৰ্ধাৰণ কৰাৰ

লগতে সেইবোৰৰ ৰূপায়ণো সুনিশ্চিত কৰে।

- দ্বিমুখী যোগাযোগ প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰা, অংশীদাৰী উন্নয়নমূলক যোগাযোগঅঅ ব্যৱস্থা, বাৰ্তা প্ৰচাৰ আৰু তথ্য প্ৰেৰণৰ যোগেদি সম্ভাব্য হিতাধিকাৰীসকলক তেওঁলোকৰ আচৰণ সলনি কৰিবলৈ জোৰ দিয়া একমুখী যোগাযোগ পদ্ধতিৰ পৰা পৃথক।
- ৰাজনৈতিক নেতৃত্ব, উন্নয়ন প্ৰশাসন আৰু গ্ৰাম্যযনগৰীয়া জনতা, ভাৰতত উন্নয়ন প্ৰক্ৰিয়াৰ কাৰণে প্ৰাসংগিক তিনিটা মাপকাঠি।



৬.৮ অধিক জানিবলৈ

1) Development and Educational Communication Unit (DECU), *Yatra–The Journey*, ISRO, Ahmedabad.
2) Gupta, Biswajeet, *Media Development and Management : New Horizons*, Kanishka Publishers, Delhi.
3) Menon, Mridula, *Development Communication and Media Debate*, Kanishka Publishers, Delhi.
4) Prabhakar, Naval & Basu, Narendra, *Mass Media and Development*, Commonwealth Publishrs, Delhi.
5) Taleem (1997) Resource Material, *Communicating for Sustainable Development*, Centre for Environment Education, Ahmedabad.



৬.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ পুনঃ অভিবিন্যাস কৰন পুনঃ মনোনিবেশ আৰু পুনঃ বলৱৎ কৰক।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰজাৰ্ছে যোগাযোগ প্ৰক্ৰিয়াক এজন ব্যক্তিৰ পৰা আন এজনলৈ বাৰ্তা প্ৰেৰণৰ উপায়অঅ বুলি সংজ্ঞায়িত কৰিছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ উন্নয়নমুখী যোগাযোগে দাতা বা উৎস সমূদায়কে ধৰি পৰিকল্পনাকাৰী, হিতাধিকাৰী আৰু উন্নয়ন মূলক কাৰ্যৰ সকলো ৰূপায়ণকাৰীৰ মাজত সংযোগ স্থাপন কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ

ক) আৰ্থ-সামাজিক উন্নয়ন

খ) তৃণমূল পৰ্যায়ৰ যোগাযোগ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৫২ চনত সামূহিক উন্নয়ন কাৰ্যসূচীসমূহ আৰম্ভ কৰা হৈছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ৰেডিঅ', চলচ্চিত্ৰ, টি.ভি. আৰু ছপা মাধ্যম হৈছে বিকাশৰ উদ্দেশ্যে ব্যৱহৃত মিডিয়া।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতত উন্নয়ন প্ৰক্ৰিয়াৰ বাবে প্ৰাসংগিক তিনিটা মাপকাঠি হৈছে ৰাজনৈতিক নেতৃত্ব, উন্নয়ন প্ৰশাসন আৰু গ্ৰাম্যনগৰীয়া জনতা।



৬.১০ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (৫০ শব্দৰ ভিতৰত দিয়ক)

ক) প্ৰসাৰণ প্ৰক্ৰিয়াৰ বাবে উপযুক্ত মাধ্যম বাছনি কৰাটো কিয় প্ৰয়োজনীয় ?

খ) উন্নয়নমুখী যোগাযোগ বুলিলে আপুনি কি বুজে ?

খ) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত দিয়ক)

ক) CIME

খ) অনানুষ্ঠানিক শিক্ষা

গ) উদ্ভাৱনৰ প্ৰসাৰ

খ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত দিয়ক)

ক) উদ্ভাৱনৰ প্ৰসাৰত মাধ্যমৰ ভূমিকা আপোনাৰ ভাষাত লিখক।

খ) উন্নয়নমূলক যোগাযোগৰ ভাৰতীয় আৰ্হিসমূহ ব্যাখ্যা কৰক।

*** ***** ***

.